নং ঃ ৭১০/২০২০

## ‘মৈত্ৰী’ আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ লাহোৱাল আৰক্ষী থানা আৰু দুলীয়াজান আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাত নিয়োজিত আৰক্ষী বাহিনীৰ লোকসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি পূৰ্বৰ চৰকাৰসমূহ মুঠেই সংবেদনশীল নাছিল ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ‘মৈত্ৰী’ আঁচনিৰ অধীনত ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰক্ষী থানা আৰু দুলীয়াজান আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন দুটাৰ শুভ উদ্বোধন কৰি ৰাইজৰ সেৱাত উৎসৰ্গা কৰে।

এই উপলক্ষে থানা দুখনৰ চৌহদত পৃথকে পৃথকে আয়োজিত উদ্বোধনী সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৬ চনত ৰাজ্য পৰিচালনাৰ গুৰু দায়িত্ব গ্ৰহণৰ পিছৰে পৰা অসমৰ আৰ্থ-সামাজিক অৱস্থা, আন্তঃগাঁথনি আদি সকলো দিশতে পৰিৱৰ্তন অনাৰ বাবে ৰাইজৰ স্বাৰ্থত ২৪ ঘন্টাই সমৰ্পিত হৈ ৰাজ্য চৰকাৰখনে কাম কৰি আহিছে। চৰকাৰৰ বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালৰ কাম-কাজ পৰ্যালোচনা কৰিলেই এই কথাৰ উমান পাব পাৰি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

পূৰ্বৰ চৰকাৰসমূহৰ কাৰ্যকালত ৰাজ্যৰ আৰক্ষী থানাসমূহৰ শোচনীয় আন্তঃগাঁথনিৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ কামত দিনে-নিশাই নিয়োজিত আৰক্ষী বাহিনীৰ লোকসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি পূৰ্বৰ চৰকাৰসমূহ কোনো দিনে সংবেদনশীল নাছিল। বিজুলীবাতিৰ পোহৰ নোহোৱাকৈ, প্ৰয়োজনীয় আচবাব পত্ৰৰ অভাৱত অতিশয় কষ্টৰ মাজেৰে তেওঁলোকে কৰ্তব্য সম্পাদন কৰিবলগীয়া হৈছিল। বেৰেকসমূহৰ অৱস্থাও আছিল অতিশয় কদৰ্যময়। এই অৱস্থাৰ অৱসান ঘটোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্মাৰ্ট পুলিচৰ ধাৰণাৰে উজ্জীৱিত হৈ বৰ্তমানৰ ৰাজ্য চৰকাৰখনেও নিজৰ কাৰ্যকালৰ প্ৰথমখন বাজেটতে ৰাজ্যৰ আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে মৈত্ৰী আঁচনি গ্ৰহণ কৰিছিল। প্ৰথম পৰ্যায়ত এই আঁচনিৰ অধীনত হাতত লোৱা ৭৩ খন থানাৰ আন্তঃগাঁথনি ইতিমধ্যে সাজু হৈ উঠিছে। একেদৰে আৰক্ষী জোৱানসকলৰ বাবে ১০০ টা বেৰেক নিৰ্মাণৰো পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশৰ ফলত আজি অপৰাধৰ পদ্ধতিসমূহ সলনি হৈছে। অসম আৰক্ষীয়ে বিভিন্ন অপৰাধৰ ক্ষেত্ৰত

অতি তৎপৰতাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি সফলতা অৰ্জন কৰিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন প্ৰত্যাহ্বান আহিছে। আৰক্ষীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। 'মৈত্ৰী আঁচনি'ৰ জৰিয়তে আৰক্ষীক ৰাইজৰ বন্ধু হিচাপে গঢ় দিব বিচৰা হৈছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ বাবে আৰক্ষীয়ে উৎসৰ্গিত মনোভাবেৰে কাম কৰিব লাগিব। আৰক্ষীৰ উপস্থিতিত জনসাধাৰণে নিৰাপত্তা অনুভৱ কৰিব লাগিব। তেওঁ কয় যে দিনক-দিনে ৰাইজৰ আৰক্ষীৰ ওপৰত আস্থা বৃদ্ধি পাইছে। কভিড-১৯ আৰু বান-খহনীয়া দুৰ্যোগৰ সময়ত আৰক্ষীয়ে জনসেৱাৰ উৎকৃষ্ট নিদৰ্শন দেখুৱাইছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

অসম আৰক্ষীয়ে আজি নিজৰ কৰ্তব্যনিষ্ঠাৰ জৰিয়তে দেশৰ ভিতৰতে এক অগ্ৰণী আৰক্ষী বাহিনী হিচাপে পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অপৰাধমূলক কাৰ্যকলাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে প্ৰভূত সফলতা লাভ কৰিছে। মহিলাৰ বিৰুদ্ধে অপৰাধসমূহৰ ক্ষিপ্ৰতাৰে তদন্ত কৰি মহিলাৰ সন্মান ৰক্ষাৰ ক্ষেত্ৰতো তেওঁলোকে দৃষ্টান্তমূলক বৰঙনি আগবঢ়াইছে। একেদৰে গঁড় হত্যা ৰোধ, ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ বেহা নিয়ন্ত্ৰণ আদি দিশতো তেওঁলোকে উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে। দুৰ্নীতিৰ বিৰুদ্ধে বৰ্তমানৰ চৰকাৰখনৰ শূন্য সহনশীল দৃষ্টিভংগীক প্ৰতিফলিত কৰি সকলোধৰণৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে অসম আৰক্ষীয়ে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। আজি উদ্বোধন কৰা এই আৰক্ষী থানা দুখনৰ নতুন ভৱন দুটাই লাহোৱাল আৰু দুলীয়াজানবাসী ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাৰ কামত অহৰ্নিশে সমৰ্পিত হৈ কাম কৰি যাবলৈ আৰক্ষী বিষয়া-কৰ্মীসকলক উৎসাহিত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা আন্তৰিকতাৰ ফলত অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নে এক নতুন মাত্ৰা লাভ কৰিছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত ৰাজ্যখনত বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান নিৰ্মাণ, নুমলীগড় আৰু বঙাইগাঁও তেল শোধনাগাৰৰ আধুনিকীকৰণ, ভাৰত মালা আঁচনিৰ অধীনত যোগীঘোপাত মাল্টিমডেল লজিষ্টিক হাব নিৰ্মাণ আদিৰ প্ৰসংগ উল্লেখ কৰে। একে আদৰ্শৰে ৰাজ্য চৰকাৰেও নিজৰ প্ৰতিশ্ৰুতি অনুসৰি এখন সন্ত্ৰাসবাদ মুক্ত, বিদেশীমুক্ত, দুৰ্নীতি মুক্ত আৰু প্ৰদূষণ মুক্ত অসম গঢ়াৰ বাবে নিষ্ঠাসহকাৰে কাম কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

লাহোৱাল আৰক্ষী থানাৰ চৌহদত আয়োজিত সভাখনত ভাষণ প্ৰদান কৰি স্থানীয় বিধায়ক ঋতুপৰ্ণ বৰুৱাই 'মৈত্ৰী'ৰ দৰে আঁচনিৰ অধীনত লাহোৱাল থানাক সামৰি লোৱাৰ বাবে মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে। লাহোৱাল আৰক্ষী থানাৰ নতুন ভৱন নিৰ্মাণে অঞ্চলটোৰ অপৰাধমূলক কাৰ্যকলাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক নতুন দিনৰ সূচনা কৰিব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ১৯৭৫ চনতে আৰক্ষী চকীৰূপে স্থাপিত লাহোৱাল আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনৰ বাবে ১.৬০ কোটি টকা ব্যয় কৰা হৈছে। একেদৰে আৰক্ষী চকীৰূপে ১৯৮০ চনত স্থাপন কৰা দুলীয়াজান আৰক্ষী থানা নৱনিৰ্মিত ভৱনৰ বাবে প্ৰায় ২.৫ কোটি টকা ব্যয় কৰা হৈছে। দুয়োখন থানা ভৱনতে অন্যান্য সা-সুবিধাৰ লগতে শিশু আৰু মহিলাৰ বাবে বিশেষ স্থান, পৰামৰ্শ দানৰ বাবে বিশেষ স্থান

আদিৰো ব্যৱস্থা কৰা হৈছে।

এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে চক্ৰধৰ গগৈ, প্ৰশান্ত ফুকন, তেৰছ গোৱালা আৰু বিমল বৰা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, উত্তৰ-পূব সংমণ্ডলৰ উপ-আৰক্ষী মহাপৰিদৰ্শক জিৎমল দলে, অসম আৰক্ষী গৃহ নিৰ্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য আবাসিক কাৰ্যবাহী দিলীপ কুমাৰ দাস, অসম গেছ কোম্পানী লিমিটেৰ পৰিচালন সঞ্চালক গকুল স্বৰ্গীয়াৰী, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, সত্ৰাধিকাৰ বিনোদ দেৱ গোস্বামী, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তথা জিলা উন্নয়ন আয়ুক্ত পাৰ্থপ্ৰতিম বৈৰাগী, আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবেকে ধৰি জিলা প্ৰশাসন আৰু আৰক্ষীৰ শীৰ্ষ বিষয়াসকল তথা বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

**সুঃমিঃকঃ / প্ৰঃকুঃবঃ**
**২৯/১০/২০২০**